2025

HISTORY

Paper : HIS0400204

(Social Formation and Cultural Patterns of the Ancient and Medieval World)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions

1. Answer the following questions in *one* word or in *one* sentence each : 1×8=8

তলত দিয়া প্ৰশ্নবোৰৰ প্ৰতিটোৰ উত্তৰ *এটা* শব্দ বা *এটা* বাক্যত দিয়া :

(a) What is the meaning of the word 'Pharaoh' ?

'ফাৰাও' শব্দৰ অৰ্থ কি ?

(b) Name an ancient city of the Mesopotamian Civilization.

মেছ'পটেমীয়া সভ্যতাৰ এখন প্ৰাচীন নগৰৰ নাম লিখা।

(c) To which Greek City-State did Lycurgus belong?

লাইকাৰগাছ কোনখন গ্ৰীক নগৰ-ৰাষ্ট্ৰৰ আছিল ?

(d) When was the First Punic War fought?

প্ৰথম পিউনিক যুদ্ধ কেতিয়া সংঘটিত হৈছিল ?

(e) What title did Augustus assume after becoming the emperor?

সম্ৰাট হোৱাৰ পাছত আগষ্টাছে কি উপাধি গ্ৰহণ কৰিছিল ?

(f) Who was the author of *Aeneid* ?

'ইনিয়াড'ৰ লিখক কোন আছিল ?

(g) The Egyptian Civilization flourished on the banks of which river?

কোনখন নদীৰ পাৰত ইজিপ্তীয় সভ্যতাৰ বিকাশ হৈছিল ?

(h) What was the name of the majestic amphitheatre of Rome?

ৰোম চহৰত থকা সুবিশাল ৰংগমঞ্চটোৰ নাম কি আছিল ?

2. Answer any *six* of the following questions briefly : 2×6=12

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো **ছটাৰ** চমুকৈ উত্তৰ দিয়া :

(a) Name the two ruling dynasties of ancient China.

প্ৰাচীন চীনত শাসন কৰা ৰাজবংশ দুটাৰ নাম লিখা।

(b) Which two explorers discovered the Maya Civilization?

কোন দুজন ভ্ৰমণকাৰীয়ে মায়া সভ্যতা আৱিষ্কাৰ কৰিছিল ?

(c) What was the Machu Picchu?

মাচু পিচু কি আছিল ?

(d) Who were the Sophists?

চ'ফিষ্টসকল কোন আছিল ?

(e) What were the two social classes of the ancient Roman society?

প্ৰাচীন ৰোমান সমাজৰ সামাজিক শ্ৰেণী দুটা কি কি আছিল ?

(f) Name any two of the 'Five Good Emperors' of the late Roman empire.

শেষার্ধৰ ৰোমান সাম্ৰাজ্যৰ 'পঞ্চ-মহান সম্ৰাট'ৰ যি কোনো দুজনৰ নাম লিখা।

(g) What was the Black Death?

'ব্লেক ডেথ' কি আছিল ?

(h) Who was the first Caliph? What is the meaning of the word 'Caliph'?

প্ৰথম খলিফা কোন আছিল ? 'খলিফা' শব্দটোৰ অৰ্থ কি ?

(i) Who discovered the sea route from Europe to India? In which year did he reach India?

ইউৰোপৰ পৰা ভাৰতলৈ সাগৰীয় পথ কোনে আৱিষ্কাৰ কৰিছিল ? তেওঁ কোন চনত ভাৰতত আহি উপস্থিত হৈছিল ?

(j) Name any two medieval European cities.

যি কোনো দুখন মধ্যযুগীয় ইউৰোপীয় চহৰৰ নাম লিখা।

(Continued)

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** ওপৰত চমু টোকা লিখা :

(a) The Code of Hammurabi

হাম্মুৰাবীৰ আইননামা

(b) The Mayan Calendar

মায়া কেলেণ্ডাৰ

(c) Inca Architecture

ইনকা স্থাপত্য

(d) Greek Philosophy

গ্ৰীক দৰ্শন

(e) Roman Senate

ৰোমান চিনেট

(f) Pax Romana

পেক্স ৰোমানা

(g) The Manorial System

মেনৰ ব্যৱস্থা

(h) Trade in Medieval Europe

মধ্যযুগীয় ইউৰোপৰ বাণিজ্য

4. Answer any *two* of the following questions : 10×2=20

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো **দুটাৰ** উত্তৰ দিয়া :

(a) Discuss the social and cultural life of the Egyptian Civilization.

ইজিপ্তীয় সভ্যতাৰ সমাজ আৰু সাংস্কৃতিক জীৱন আলোচনা কৰা।

(b) Discuss the development of democracy in Athens.

এথেন্সত গণতন্ত্ৰৰ উত্থান সম্পৰ্কে আলোচনা কৰা।

(c) Trace the causes for the downfall of the Roman empire.

ৰোমান সাম্ৰাজ্যৰ পতনৰ কাৰণসমূহ পৰ্যালোচনা কৰা।

(d) Why did feudalism decline in Europe? Elucidate.

ইউৰোপত সামন্তবাদৰ কিয় অৱনতি ঘটিছিল ? ব্যাখ্যা কৰা।

(e) Analyze the process of urbanization in ancient Rome.

প্ৰাচীন ৰোমৰ নগৰীকৰণ সম্পৰ্কে বিশ্লেষণ কৰা।

★★★